নংঃ ৫৫৩/২০২০

# ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ক'ভিড-১৯ পৰিস্থিতি পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক'ভিড-১৯ ৰ সন্দৰ্ভত তৃণমূল পৰ্যায়ত জৰীপ চলাবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ ক'ভিড-১৯ পৰিস্থিতি পৰ্যালোচনা কৰে। বৈঠকত দুয়োখন জিলাৰ ক'ভিড-১৯ আক্ৰান্ত ৰোগী, চিকিৎসাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ, কুৱাৰেণ্টীন ব্যৱস্থা, স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলাৰ ক্ষেত্ৰত জনসচেতনতা সৃষ্টি ইত্যাদি বিষয়সমূহ বিতংভাৱে আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীৰ পৰা চিকিৎসাৰ ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই সম্পৰ্কত জানিব বিচাৰে। মুখ্যমন্ত্ৰীয়ে চিকিৎসাৰ লগত জড়িত থকা সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ মাজত সহযোগিতা আৰু যোগাযোগ ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ্মচাৰীসকলক অধিক দায়িত্বশীল কৰি তোলাৰ লগতে অসম চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক সংকটজনক ক'ভিড ৰোগীসকলক সময়োচিত চিকিৎসা সেৱা প্ৰদান কৰাৰ দিশত অধিক তৎপৰ হ'বলৈও নিৰ্দেশ দিয়ে। স্বাস্থ্য বিভাগৰ বিষয়াসকলে দুয়োখন জিলাত থকা ক'ভিড চেণ্টাৰ আৰু এই ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়াটো এটা বৃহৎ ক'ভিড চেণ্টাৰ স্থাপন কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত জিলা দুখনৰ চাহ বাগিছাত ক'ভিড সংক্ৰমণৰ বিষয়টো বিতংভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে চাহ বাগিছা এলেকাত কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে নিৰীক্ষণ ব্যৱস্থাটো শক্তিশালী কৰিবলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সম্পৰ্কত জনসাধাৰণৰ সাম্প্ৰতিক মানসিক অৱস্থা আৰু ইয়াৰ সৈতে সহাৱস্থান কৰি কৰ্মত নিয়োজিত হোৱাৰ ক্ষেত্ৰত কি ধৰণে আগবাঢ়িছে সেই বিষয়টো জনাৰ বাবে তৃণমূল পৰ্যায়ত জৰীপ চলাবলৈও প্ৰশাসনক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলি কৰ্মত নিয়োজিত হোৱাৰ বাবে পৰিৱেশ নিৰ্মাণৰ জৰিয়তে জনসাধাৰণৰ মনত বিশ্বাসভাৱ গাঢ় কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে হোম আইচ'লেশ্যনত থকা ৰোগীসকলে যাতে স্বাস্থ্য বিভাগৰ পৰা নিয়মীয়াকৈ স্বাস্থ্য পৰামৰ্শ আদি লাভ কৰে সেই দিশটো নিশ্চিত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে এছ বি আই ফাউণ্ডেশ্যনে ১০ টা ভেণ্টিলেট'ৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৰ্পণ কৰে। মুখ্যমন্ত্ৰীয়ে এছ বি আইৰ বিষয়ববীয়াসকলক এই মহৎ কাৰ্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে ইয়ে ক'ভিড ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

আজিৰ এই বৈঠকৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, স্বাস্থ্য বিভাগৰ বিষয়া আৰু ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিষয়াসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ**
**২০/০৮/২০২০**